আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, FEBRUARY 05, 2024>> 10 PM    www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৯    Guwahati, Assam ।। মূল্যঃ এটকা

## জনজাতীয় লোকক কিয় ঘৃণা কৰে বুলি বিজেপিক প্ৰশ্ন হেমন্ত ছোৰেণৰ

# আস্থা ভোটত জয়, ঝাৰখণ্ডত চৰকাৰ অক্ষুন্ন



ই-সংবাদৰ প্ৰতিবেদনঃ ইডিয়ে গ্ৰেপ্তাৰ কৰা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণৰ পদত্যাগৰ পাছত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চম্পাই ছোৰেণে আস্থা ভোটত জয়লাভ কৰিছে। মুখ্যমন্ত্ৰী চম্পাই ছোৰেণৰ নেতৃত্বৰ ঝাৰখণ্ড চৰকাৰে ৪৭ জন বিধায়কৰ সমৰ্থন লাভ কৰি জয়ী হয়।


সবিশেষ ৫নং পৃষ্ঠাত চাওক

## ‘গণতন্ত্ৰক হত্যা কৰিবলৈ দিয়া নহ’ব’

## চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনত বিজেপিয়ে কৰা কাণ্ডক লৈ ক্ষুব্ধ দেশৰ শীৰ্ষ আদালত

বাতৰি ভিতৰৰ পৃষ্ঠাত চাওক

## পৰীক্ষাত নকল কৰিলে এতিয়া যাব লাগিব জেললৈ




বাজেট অধিৰেশনৰ প্ৰথমটো দিনাই অখিল গগৈৰ প্ৰতিবাদ

**সোমবাৰৰ** পৰা আৰম্ভ হৈছে অসম বিধানসভাৰ বাজেট অধিৰেশন। আজি অধিৰেশনৰ প্ৰথম দিনাই বিধানসভাত উত্থাপন হয় নতুন বিধেয়ক। পৰীক্ষাক লৈ উত্থাপন হোৱা এই বিধেয়কখন হৈছে অসম ৰাজহুৱা পৰীক্ষা (নিযুক্তিত অনৈতিক উপায় প্ৰতিৰোধৰ ব্যৱস্থা) বিধেয়ক-২০২৪। পৰীক্ষাত অসৎ উপায় অৱলম্বন প্ৰতিৰোধৰ বাবেই উত্থাপন কৰা হয় এই বিধেয়ক।

সবিশেষ ৪ নং পৃষ্ঠাত চাওক



## ঘৰৰ ‘কাম কৰা বাই’ক সুধি বিজেপিলৈ গ’ল দল সলোৱা কমল

**নাযাও, নাযাও** বুলি কৈ অৱশেষত কমল কুমাৰ মেধি গ’ল বিজেপিলৈ। বিজেপিত যোগদান কৰিয়েই কমল কুমাৰ মেধি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ হোৱা দেখা গ'ল। সাধাৰণ মানুহক সুধিহে বিজেপিলৈ যোৱা বুলিও কয় কমল কুমাৰ মেধিয়ে।

সবিশেষ ২ নং পৃষ্ঠাত

# অৱশেষত বিজেপিত যোগ দিলে কমল কুমাৰ মেধিয়ে

## বুদ্ধিজীৱি নহয়, বনকৰা মহিলাক সুধি সলালে দল

**ই-সংবাদ, ৫ ফেব্ৰুৱাৰীঃ** বহুদিনৰে পৰা চলি অহা চৰ্চাত মোহৰ মাৰি অৱশেষত বিজেপিত যোগদান কৰিলে কমল কুমাৰ মেধিয়ে। বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত কমল কুমাৰ মেধিৰ লগতে কংগ্ৰেছ নেতা কুলদ্বীপ বৰুৱায়ো যোগদান কৰিলে বিজেপিত। বিজেপিত যোগদান কৰিয়েই কমল কুমাৰ মেধি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ হোৱা দেখা গল। বিজেপিত যোগদান কৰি কমল কুমাৰ মেধিয়ে কয়- মই বিজেপিলৈ আহোতে কাৰো পৰামৰ্শ লোৱা নাই। কোনো বুদ্ধিজীৱীৰ পৰামৰ্শ লোৱা নাই। বিজেপিত যোগদান কৰিছো গাওঁৰ ঘৰত কাম কৰা মহিলা জনীক সুধিছো। এটা সময়ত চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিছিলো। এতিয়া সকলোতে কেৱল উন্নয়নৰ বাতৰি। সেয়েহে মই বিজেপিত যোগদান কৰা সিদ্ধান্ত গ্ৰহণ কৰিলো। মেধিয়ে লগতে কয়, মুখ্যমন্ত্ৰীৰ প্ৰতিটো কথাই আমি পৰ্যবেক্ষণ কৰিছো। অসমৰ উন্নয়নৰ বাবে ৰাজনীতিত এটাই নাম আছে হিমন্ত বিশ্ব শৰ্মা। হিমন্ত বিশ্ব শৰ্মা ৰাজনীতিৰ নক্ষত্ৰ, আমিতো জোনাকী পৰুৱা। মোক যিমান ট্ৰল কৰে কৰক এতিয়া বিজেপি নকৰি কি কৰিম? মই দল বাগৰিছো কিন্তু কোনোৰে ১ টকা খোৱা বুলি কব নোৱাৰে। কোনো উচ্চাকাংক্ষা নাই মোৰ যি কাম দিয়ে সুচাৰুৰূপে কৰি দেখুৱাম। উল্লেখ কৰা প্ৰয়োজন যে, বহুদিনৰে পৰা মেধিয়ে বিজেপিত যোগদানৰ চৰ্চা হৈ আছিল যদিও অৱশেষত এই খবৰত আনুষ্ঠানিকভাৱে মোহৰ মাৰে। ইয়াৰ পূৰ্বে মেধি কংগ্ৰেছ, ৰাইজৰ দল, আপৰ সৈতেও ৰাজনৈতিকভাৱে জড়িত হৈ আছিল।

# চৰকাৰৰ অসমীয়া ভাষা বিৰোধী সিদ্ধান্ত! শুৱালকুছিত আছুৰ প্ৰতিবাদ

**ই-সংবাদ, শুৱালকুছি, ৫ ফেব্ৰুৱাৰীঃ** বিজেপি নেতৃত্বতাধীন ৰাজ্য চৰকাৰে মাতৃভাষা মাধ্যমৰ সন্দৰ্ভত গ্ৰহণ লোৱা হঠকাৰী কেবিনেট সিদ্ধান্তৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত শুৱালকুছিত ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে৷ শিক্ষা মন্ত্ৰী ৰণোজ পেগুৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে৷ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত শুৱালকুছি প্ৰৱেশ দ্বাৰৰ সন্মুখত প্ৰতিবাদকাৰীসকলে হাতে হাতে বেনাৰ ফেষ্টুন লৈ মাতৃভাষা মাধ্যম বিৰোধী সিদ্ধান্ত বাতিল কৰক, মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত কৰক, মাধ্যম বিৰোধী সিদ্ধান্ত বাতিল কৰক, ষষ্ঠ শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞান কেৱল ইংৰাজীত পঢ়োৱাৰ সিদ্ধান্ত বাতিল




কৰক, মাতৃভাষা মাধ্যমৰ বিদ্যালয় বন্ধৰ ষড়যন্ত্ৰ বন্ধ কৰক, অসম চৰকাৰ হায়ঃ হায়ঃ, শিক্ষামন্ত্ৰী হায়ঃ হায়ঃ আদি বিভিন্ন শ্ল'গানৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি আছুৰ সাংগঠনিক সম্পাদক পংকজ কলিতাই কয় যে অসম চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অৱমাননা কৰাৰ লগতে দেশৰ ৰাজ্য চৰকাৰে মাতৃভাষা মাধ্যম বিৰোধী স্থিতি গ্ৰহণ কৰিছে। ষষ্ঠ শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয় দুটা ইংৰাজী ভাষাত পাঠদানৰ সিদ্ধান্ত লৈছে। শিক্ষাখণ্ডৰ শক্তিশালী আন্তঃগাঁথনিৰ প্ৰয়োজন আছিল। দক্ষ শিক্ষক নিযুক্তিৰ প্ৰয়োজন আছিল। কিন্তু চৰকাৰে একোৱেই কৰা নাই। আছুৰ কাৰ্য্যালয় সম্পাদক ভৱজ্যেতি ডেকাই কয় যে এই আইন খন কোনোপধ্যেই সদৌ অসম ছাত্ৰ সন্থাই মানি নলয়৷ এই আইনখন শীঘ্ৰে বাতিল কৰিবলৈ আহ্বান জনায়৷ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমান শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থা, পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যসকল উপস্থিত থাকে৷

# চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচন কাণ্ডত শীৰ্ষ আদালতৰ হস্তক্ষেপ



## ■ ৰিটাৰ্নিং বিষয়াৰ কাণ্ডক গণতন্ত্ৰৰ হত্যা সদৃশ আখ্যা

## ■ গণতন্ত্ৰৰ হত্যা কৰিবলৈ দিয়া নহয় বুলি সকিয়নী

**নতুন দিল্লী, ৫ ফেব্ৰুৱাৰীঃ** অৱশেষত কেন্দ্ৰীয় শাসিত চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনত দেশৰ শীৰ্ষ আদালতে হস্তক্ষেপ কৰিলে৷ আজি উচ্চতম ন্যায়ালয়ে মেয়ৰ পদৰ নিৰ্বাচনৰ সকলো নথি-পত্ৰ সংৰক্ষণ কৰাৰ লগতে ৰিটাৰ্ণিং অফিচাৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিছে৷ মেয়ৰ নিৰ্বাচনৰ সকলো ৰেকৰ্ড সুৰক্ষিত কৰিবলৈ পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মহাপঞ্জীয়কক নিৰ্দেশ দিছে৷ আপৰ কাউন্সিলাৰৰ আবেদনক লৈ উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ জাৰি কৰিছে। পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব ১২ ফেব্ৰুৱাৰীত। শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ে ৰিটাৰ্নিং অফিচাৰজনক তীব্ৰ ধমক দিয়ে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচূড়ে কয় যে ৰিটাৰ্ণিং অফিচাৰে যি কৰিলে সেয়া গণতন্ত্ৰৰ হত্যাৰ দৰে। ডি.ৱাই চন্দ্ৰচূড়ে কয় 'ভিডিঅ'টোত স্পষ্টকৈ দেখা গৈছে যে তেওঁ কেমেৰাৰ ভিতৰলৈ চাই বেলট পেপাৰ নষ্ট কৰি আছে। এইগৰাকী বিষয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমি গণতন্ত্ৰক হত্যা কৰিবলৈ নিদিওঁ।' আপৰ কাউন্সিলাৰে আদালতত দাখিল কৰা আবেদনৰ ভিত্তিত আজি শীৰ্ষ আদালতত শুনানি অনুষ্ঠিত হয়৷ আপৰ হৈ অধিবক্তা মনু সিংভীয়ে শুনানিৰ সময়ত নিৰ্বাচনৰ ভোটগণনাৰ ভিডিঅ'গ্ৰাফী ফুটেজ আদালতক পেন ড্ৰাইভত দিছিল। সিংহৱীয়ে কয় যে কংগ্ৰেছ-আপৰ ২০, বিজেপিৰ ১৬। ভোটদানত ৩৬ জন লোকে ভোট দিছিল। বিষয়াগৰাকীয়ে ৮জন লোকক অযোগ্য ঘোষণা কৰে। এই সকলো ৮ কংগ্ৰেছ-আপৰ সদস্য আছিল। চণ্ডীগড়ত নতুনকৈ মেয়ৰ নিৰ্বাচনৰ দাবীত কোনো ধৰণৰ অন্তৰৰ্তীকালীন সকাহ দিবলৈ অস্বীকাৰ কৰা পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই আম আদমি পাৰ্টিৰ কাউন্সিলাৰে৷ তাৰ পাছতে আবেদনৰ শুনানি গ্ৰহণ কৰে উচ্চতম ন্যায়ালয়ে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে, ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰৰ বিচাৰপীঠে শুনানি গ্ৰহণ কৰে। আবেদনখনত মেয়ৰ নিৰ্বাচনৰ প্ৰক্ৰিয়া বাতিল কৰা, নিৰ্বাচনৰ সৈতে জড়িত সমগ্ৰ তথ্য ছীল কৰা, মেয়ৰে কাৰ্যভাৰ গ্ৰহণ কৰাত নিষেধাজ্ঞা আৰোপ কৰা, সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াত হোৱা ৰিগিঙৰ তদন্ত আৰু অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ তত্বাৱধানত নতুনকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰা হৈছে। এই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে কোনো অন্তৰৰ্তীকালীন নিৰ্দেশ জাৰি কৰা নাই। অৱশ্যে চণ্ডীগড় প্ৰশাসন, পৌৰ নিগম, প্ৰিজাইডিং অফিচাৰ অনিল মাছিহ আৰু নৱনিৰ্বাচিত মেয়ৰ মনোজ সোণকাৰ আদিক জাননী জাৰি কৰি তিনি সপ্তাহৰ ভিতৰত উত্তৰ দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখ্য যে, অসৎ উপায় অৱলম্বন কৰি বিজেপিক জয়ী কৰোৱাৰ অভিযোগ উত্থাপন হৈছিল৷ বিজেপিৰ মনোজ সোনকাৰ নিৰ্বাচনত জয়ী হৈছিল। মনোজ সোনকাৰ আম আদমী পাৰ্টিৰ প্ৰাৰ্থী কুলদীপ কুমাৰৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল। অৱশ্যে, বিজেপিয়ে ৩৬টা ভোটৰ ভিতৰত ১৬টা ভোট লাভ কৰি নিৰ্বাচনত জয়ী হয়। ৮টা ভোট বাতিল কৰাৰ লগতে আপ-কংগ্ৰেছে লাভ কৰিছিল ১২টা ভোট৷ ৮টা ভোট ভুলকৈ দিয়াৰ বাবে বাতিল কৰিছিল৷ তাৰ পাছতে আপ আৰু কংগ্ৰেছে বিজেপিৰ বিৰুদ্ধে অসৎ পন্থা অৱলম্বন কৰাৰ অভিযোগ উত্থাপন উঠিছিলল। বিজেপিয়ে যোৱা আঠ বছৰ ধৰি মেয়ৰৰ পদত অধিস্থিত হৈ আছে। পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত চণ্ডিগড়ত মেয়ৰ পদৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত, প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতা আছিল কংগ্ৰেছ-আম আদমী পাৰ্টি মিত্ৰজোঁট আৰু বিজেপিৰ মাজত। ভোটগ্ৰহণ মূলত ১৮ জানুৱাৰীত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও প্ৰিজাইডিং বিষয়াজনে অসুস্থ হোৱাত চণ্ডিগড় প্ৰশাসনে ৬ ফেব্ৰুৱাৰীলৈ পিছুৱাই দিছিল। কংগ্ৰেছ আৰু আপৰ কাউন্সিলাৰসকলে নিৰ্বাচন স্থগিত ৰখাত প্ৰশাসনৰ নিৰ্দেশৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰিছিল। আপৰ মেয়ৰ প্ৰাৰ্থী কুলদীপ কুমাৰে চণ্ডিগড়ৰ উপায়ুক্তৰ নিৰ্বাচন স্থগিত ৰখাৰ আদেশক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। উচ্চ ন্যায়ালয়ে ২৪ জানুৱাৰীত দিয়া নিৰ্দেশত চণ্ডিগড় প্ৰশাসনক ৩০ জানুৱাৰীত পুৱা ১০ বজাত মেয়ৰ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছিল।

# এতিয়াৰে পৰা নকল কৰি ধৰা পৰিলে যাব লাগিব জেললৈ



## আজিৰে পৰা বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ

## ৰাজ্যপালৰ ভাষণৰ মাজতে সদন ত্যাগ কংগ্ৰেছৰ

## ‘কা’ৰ বিৰুদ্ধে ফেষ্টুন লৈ প্ৰতিবাদ অখিল গগৈৰ

## ১২ ফেব্ৰুৱাৰীত দাখিল হ’ব ৰাজ্যিক বাজেট

**ই-সংবাদ, ৫ ফেব্ৰুৱাৰীঃ** সোমবাৰৰ পৰা আৰম্ভ হৈছে অসম বিধানসভাৰ বাজেট অধিৱেশন। আজি অধিৱেশনৰ প্ৰথম দিনাই বিধানসভাত উত্থাপন হয় নতুন বিধেয়ক। পৰীক্ষাক লৈ উত্থাপন হোৱা এই বিধেয়কখন হৈছে অসম ৰাজহুৱা পৰীক্ষা (নিযুক্তিত অনৈতিক উপায় প্ৰতিৰোধৰ ব্যৱস্থা) বিধেয়ক-২০২৪। পৰীক্ষাত অসৎ উপায় অৱলম্বন প্ৰতিৰোধৰ বাবেই উত্থাপন কৰা হয় এই বিধেয়ক। প্ৰশ্ন কাকত ফাদিলৰ বিৰুদ্ধেও কঠোৰ ব্যৱস্থাৰ বিধান আছে এই বিধেয়কত। এই বিধেয়ক অনুযায়ী অকৰ্তৃত্বশীলভাৱে প্ৰশ্ন কাকত কোনোৱে লগত ৰাখিব নোৱাৰিব। তদুপৰি প্ৰশ্নকাকত বিক্ৰী, পৰীক্ষাৰ্থীক সহায় কৰা আদিৰ বিৰুদ্ধেও কঠোৰ এই বিধেয়ক। নিৰ্ধাৰিত প্ৰেছৰ বাহিৰে অন্য স্থানত প্ৰিণ্ট কৰিব নোৱাৰিব প্ৰশ্নকাকত। ৰাজ্য চৰকাৰৰ যিকোনো পৰীক্ষাত প্ৰযোজ্য হ’ব এই বিধি। এপিএছচি, গুৱাহাটী উচ্চ ন্যায়ালয়, এছএলআৰচি গ্ৰেড ৩ আৰু গ্ৰেড ৪ কে ধৰি মেট্ৰিক, উচ্চতৰ মাধ্যমিক, টেট আদি পৰীক্ষাতো এই বিধেয়ত প্ৰযোজ্য হ’ব। এই বিধেয়কৰ অধীনত নকল কৰি ধৰা পৰিলে ৩ বছৰৰ জেল আৰু ১০ লাখ টকাৰ জৰিমনা ভৰিব লাগিব। আনহাতে প্ৰশ্নকাকত ফাদিল কৰিলে ১০ বছৰৰ জেল আৰু ১০ কোটি টকাৰ জৰিমনা ভৰিব লাগিব। উল্লেখ্য যে আজি অধিৱেশনৰ প্ৰথম দিনটোতে কংগ্ৰেছে কেইবাটাও দাবীক লৈ সদনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে৷ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ আক্ৰমণকাৰীক কিয় গ্ৰেপ্তাৰ কৰা হোৱা নাই বুলি প্ৰশ্ন উত্থাপন কৰি সদন ত্যাগ কৰে কংগ্ৰেছৰ বিধায়কসকলে৷ৰাজ্যপালৰ ভাষণৰ মাজতে কংগ্ৰেছে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাত ৰাজ্যপালে আধাতে ভাষণ সমাৰিবলগীয়া হয়৷ চাহমেলো বৰ্জন কৰে কংগ্ৰেছে৷ অ’পিএছ কাৰ্যকৰী কৰা, ভূপেন বৰাৰ আক্ৰমণকাৰীক গ্ৰেপ্তাৰৰ দাবীত সদনৰ বাহিৰত বেনাৰ-ফেষ্টুন লৈ কংগ্ৰেছৰ বিধায়কসকলে শ্ল’গান দি প্ৰতিবাদ জনায়৷ ইফালে, আজি বাজেট অধিৱেশনৰ প্ৰথম দিনটোত ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে হাতত বিশেষ ফেষ্টুন লৈ বিধানসভালৈ আহে৷ অখিল গগৈয়ে বিধানসভাৰ বাহিৰত সাংবাদিকৰ সন্মুখত ‘কা’ আমি নামানো লিখা ফেষ্টুন প্ৰদৰ্শন কৰে৷ তাৰ লগে লগে অখিল গগৈয়ে ‘কা’ অসমত কাৰ্যকৰী হ’লে আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে৷ ‘কা’ কাৰ্যকৰী হ’লে যিকোনো পৰিস্থিতি গ্ৰহণ কৰিবলৈ সাজু বুলিও কয় অখিল গগৈয়ে৷ অখিল গগৈয়ে কয় যে ‘কা’ বলবৎ হ’লে লাখ-লাখ বিদেশীয়ে অসমত নাগৰিকত্ব পাব৷ যাৰ বাবে অসমত প্ৰতিবাদ হ’ব। বিজেপিৰ প্ৰতিশ্ৰুতি আছিল বিদেশী বহিস্কাৰ কৰাৰ, এতিয়া বিদেশীৰ বোজা জাপি দিব খুজিছে। অখিল গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আক্ৰমণ কৰি কয় যে বিজেপিৰ প্ৰতিশ্ৰুতি আছিল অসমক বানমুক্ত কৰা, কিন্তু নদীবান্ধৰ ফলত বানপানী অধিক হৈছে। ৬ জনগোষ্ঠীৰ জনজাতিকৰণ নহ’ল৷ অসমৰ বিশেষ ৰাজ্যৰ মৰ্যদা কৰ্তন কৰা হল। আজি প্ৰথম দিনটোত অসম ৰাজহুৱা পৰীক্ষা (নিযুক্তিত অনৈতিক উপায় প্ৰতিৰোধৰ ব্যৱস্থা) বিধেয়ক-২০২৪ সদনত উত্থাপন কৰা হয়। উল্লেখ্য যে, বিত্তমন্ত্ৰী অজন্তা নেওগে ১২ ফেব্ৰুৱাৰীত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰিব৷

# আস্থা ভোটত জয়, ঝাৰখণ্ডত জেএমএম-কংগ্ৰেছৰ চৰকাৰ সুৰক্ষিত

## চম্পাইক ৪৭ বিধায়কৰ সমৰ্থন, গ্ৰেপ্তাৰৰ মাজতে আহি হেমন্ত ছোৰেণৰ আৱেগিক ভাষণ

**ৰাঁচী, ৫ ফেব্ৰুৱাৰীঃ** ভূমি কেলেংকাৰীত ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণৰ পদত্যাগৰ পাছত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চম্পাই ছোৰেণে আস্থা ভোটত জয়লাভ কৰিছে। মুখ্যমন্ত্ৰী চম্পাই ছোৰেণৰ নেতৃত্বৰ ঝাৰখণ্ড চৰকাৰে ৪৭ জন বিধায়কৰ সমৰ্থনত লাভ কৰি জয়ী হয়। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চম্পাই ছোৰেণে আস্থা ভোটৰ পূৰ্বে বিধানসভাত ভাষণ আগবঢ়ায়। এই সময়ছোৱাত চম্পাই ছোৰেণে কয় যে ষড়যন্ত্ৰৰ অধীনত ঝাৰখণ্ডক অস্থিৰ কৰাৰ চেষ্টা কৰা হৈছে। দেশত বহি থকা কেন্দ্ৰীয় চৰকাৰৰ মহাৰাজাই কেন্দ্ৰীয় সংস্থাক অপব্যৱহাৰ কৰিছে। যেতিয়াই জনজাতীয় নেতৃত্বই ক্ষমতা দখল কৰে, সেই নেতৃত্বক দমন কৰাৰ চেষ্টা কৰা হয়। এইবাৰ একেধৰণে এনে কৰা হৈছে৷ কিন্তু আমাক দমন কৰা নচলিব। যোৱা কেইবা বছৰ ধৰি চৰকাৰে জনসাধাৰণৰ উন্নয়নৰ বাবে কাম কৰি আহিছে। এতিয়া আমাৰ কাম হৈছে প্ৰগতি অব্যাহত ৰখা৷ ঝাৰখণ্ডক দুৰ্নীতিমুক্ত আৰু সমৃদ্ধ কৰা বুলিও কয় মুখ্যমন্ত্ৰী ছোৰেণে৷ আনহাতে আস্থা ভোটৰ পূৰ্বে প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণে সদনত ভাষণ প্ৰদান কৰি বিজেপি দল আৰু কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰে৷ বিজেপিক আক্ৰমণ কৰি হেমন্ত ছোৰেণে কয় 'জনজাতীয় লোকে এখন পঞ্চতাৰকা হোটেলত থকা, বিএমডব্লিউ চলালে সমস্যা হয়৷' ঝাৰখণ্ড মুক্তি মৰ্চাৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণে আৱেগিক ভাষণ প্ৰদান কৰি কয় যে এই সময়ছোৱাত আজি চকুপানী নুলিয়াও৷ কিয়নো জনজাতীয় আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ চকুপানীৰ কোনো গুৰুত্ব নাই। চম্পাই ছোৰেণে জেএমএম নেতৃত্বাধীন মিত্ৰজোঁটৰ সম্পূৰ্ণ সমৰ্থন আছে। গ্ৰেপ্তাৰক লৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক আক্ৰমণ কৰি ৩১ জানুৱাৰীৰ নিশাৰ ঘটনাসমূহক দেশৰ গণতন্ত্ৰৰ এক ক'লা অধ্যায় বুলি অভিহিত কৰে। ৰাজ্যপালৰ কাৰ্যালয়ৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে গ্ৰেপ্তাৰৰ ঘটনাত ৰাজভৱন জড়িত। গ্ৰেপ্তাৰৰ ষড়যন্ত্ৰ দীৰ্ঘদিন ধৰি চলি আছিল। এয়া পৰিকল্পিতভাৱে সম্পন্ন কৰা হৈছিল। দলিত আইকন বি আৰ আম্বেদকাৰৰ কথা উল্লেখ কৰি ছোৰেণে পিছপৰা শ্ৰেণীৰ ওপৰত অত্যাচাৰৰ কথা উল্লেখ কৰি ৩১ জানুৱাৰীত যি ঘটিছিল সেয়া ইয়াৰে আন এক উদাহৰণ বুলি কয়। এই সম্প্ৰদায়সমূহৰ প্ৰতি শাসনাধিষ্ঠিত চৰকাৰৰ ঘৃণা দেখা গৈছে বুলিও কয়। বিজেপিক লক্ষ্য কৰি হেমন্ত ছোৰেণে আৰু কয় যে আমি (বিজেপি) ঘৃণাৰ উৎস বুজি পোৱাত ব্যৰ্থ। কোনোৱেই ইয়াকো ক'বলৈও কুণ্ঠাবোধ নকৰে যে আমি জনজাতীয় লোকসকলে অৰণ্যত বাস কৰা উচিত। যেতিয়া আমি অৰণ্য এৰি তেওঁলোকৰ কাষত বহিছো, তেওঁলোকৰ কাপোৰ লেতেৰা হৈছে। তেওঁলোকে আমাক অস্পৃশ্য হিচাপে চায়। তেওঁলোকৰ সমস্যা এয়াই যে মই বিমানত ভ্ৰমণ কৰো, মই পঞ্চ তাৰকা হোটেলত থাকো, বিএমডব্লিউত ভ্ৰমণ কৰো। ছোৰেণে কৈছিল যে তেওঁ পৰাজয় স্বীকাৰ কৰা নাই। বিৰোধীয়ে (বিজেপি) ভাবে যে তেওঁলোকে তেওঁলোকৰ ষড়যন্ত্ৰত সফল হ'ব। কিন্তু এয়া হৈছে ঝাৰখণ্ড, এখন ৰাজ্য য'ত জনজাতীয় আৰু দলিতসকলে ত্যাগ কৰিছে। কেন্দ্ৰীয় সংস্থাসমূহে কোটি কোটি টকা চুৰি কৰি বিদেশলৈ পলাই যোৱাসকলক একো কৰিব নোৱাৰে। তেওঁলোকে কেৱল জনজাতীয় আৰু নিৰীহলোকক লক্ষ্য কৰি লয়। তেওঁ বিজেপিক প্ৰত্যাহ্বান জনাই কয় যে তেওঁৰ বিৰুদ্ধে গোচৰটোৰ কেন্দ্ৰত থকা ৮.৫ একৰ ভূমি তেওঁৰ নামত পঞ্জীয়ন কৰা হৈছে। যদি তেওঁলোকে (বিজেপি) তথ্য সদনত দাখিল কৰিব পাৰে তেন্তে মই ৰাজনীতি ত্যাগ কৰিম। ধন ৰপ্তানিৰ গোচৰত হেমন্ত ছোৰেণে ৩১ জানুৱাৰীত মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে।উক্ত দিনাই তেওঁক প্ৰৱৰ্তন সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰিছিল। জেএমএম আৰু কংগ্ৰেছৰ বিধায়কসকলৰ সমৰ্থনত হেমন্ত ছোৰেণৰ ঘনিষ্ঠ চম্পাই ছোৰেণে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ লয়। সোমবাৰে বিধানসভাতো সংখ্যাগৰিষ্ঠতাও লাভ কৰে। উল্লেখ্য যে, দেশৰ আগশাৰীৰ নিউজ চেনেল এটাৰ এংকৰে হেমন্ত ছোৰেণক গ্ৰেপ্তাৰ কৰি নিয়াৰ পাছতে ৫০, এশ বছৰৰ পূৰ্বৰ দৰে জংঘলত থকাৰ দৰে লাগিব বুলি অট্টহাস্য কৰিছিল৷ এংকৰৰ এই মন্তব্যক জেএমএম আৰু অন্যান্য জনজাতীয় সংগঠন তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। ইয়াৰ লগতে আজি সদনত হেমন্ত ছোৰেণ এই কথাৰ প্ৰত্যুত্তৰ দিয়ে৷ আনহাতে, ঝাৰখাণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণক বৃহৎ সকাহ প্ৰদান কৰিছিল অবৈধ ধন ৰপ্তানী প্ৰতিৰোধ আইন (পিএমএলএ) আদালতে৷ ন্যায়িক জিম্মাত কাৰাগাৰত থকাৰ সময়ত বিধানসভাৰ মজিয়াত উপস্থিত হ'বলৈ অনুমতি প্ৰদান কৰিছিল আদালতে৷ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণক ৫ ফেব্ৰুৱাৰীত বিধানসভাত অনুষ্ঠিত হ'বলগীয়া আস্থা ভোটত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিছিল।

## আৰক্ষী-প্ৰশাসন, বন বিভাগৰো প্ৰৱেশ নিষিদ্ধ, মাফিয়াই নিজেই সাজিছে দলং

# বুঢ়ীদিহিঙৰ বক্ষত কেন্দ্ৰীয় মন্ত্ৰীৰ বাসগৃহৰ সন্মুখতে বালিৰ অবৈধ বেহা



**ই-সংবাদ, দুলীয়াজান, ৫ ফেব্ৰুৱাৰীঃ** বালিৰ মহল নহয় যেন মাফিয়াৰ ঘাটিহে! সাধাৰণ মানুহে কল্পনাও কৰিব নোৱাৰা এক পৰিৱেশ এই বালিৰ মহলকেইটাত। নৈৰ পাৰৰ চৰকাৰী ভূমি বেদখল কৰি পাহাৰ সদৃশ কৰি তুলিছে অবৈধভাৱে বালি মজুত কৰি। নৈৰ ওপৰত অবৈধভাৱে নিৰ্মাণ কৰিছে পাঁচখনকৈ লোৰ প্ৰকাণ্ড দলং। শ শ জেচিবি-ডাম্পাৰে প্ৰতিদিনে পুৱাৰেপৰা সন্ধিয়ালৈ হাজাৰ হাজাৰ ডাম্পাৰ বালি আৰু পলস খনন কৰি পৰিবহণ কৰি আছে। দুলীয়াজানৰ বুঢ়ীদিহিং নৈৰ বক্ষত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ বাসগৃহৰ সন্মুখতে এক বৃহৎ অঞ্চলজুৰি বিস্তৃত হৈ আছে তিনিটা বালিৰ মহল। এই মহল তিনিটাৰ এটাৰ বৈধতা ইতিমধ্যে উকলি গৈছে যদিও আন দুটাৰ বৈধতা এতিয়াও শেষ হোৱা নাই। চৰকাৰক কৰ প্ৰদান কৰি এই বৈধতাৰ ভিত্তিতে মহলদাৰে নিতৌ চলাই গৈছে অবৈধ কাৰ্যকলাপ। উল্লেখ্য যে নৈৰ বুকুত জেচিবিৰে বালি-পলস খনন কৰি ব্যৱসায় চলোৱা, নৈৰ ওপৰত ব্যক্তিবিশেষে দলং নিৰ্মাণ কৰি ব্যৱসায় চলোৱা, চৰকাৰী ভূমিত বালি মজুত কৰা আদি কাৰ্য সম্পূৰ্ণভাৱে নিষিদ্ধ। ডিগবৈ বন সংমণ্ডলৰ চৰাইপুং ৰেঞ্জৰ অধীনত আছে এই বালিৰ মহলকেইটা। চৰাইপুং ৰেঞ্জৰ প্ৰবল প্ৰতাপী বন বিষয়াজনে এই বালিৰ মহলকেইটাত চকু দিবলৈ কিয় ভয় কৰে সেয়া এক অবুজ সাঁথৰ। প্ৰতিদিনে মোটা অংকৰ ধনৰ বিনিময়ত এই বেআইনী কাৰ্যকলাপ চলাই যোৱাত বনবিষয়াজনে উৎসাহ যোগাই আহিছে বুলি দুলীয়াজানৰ বিভিন্ন পক্ষই অভিযোগ কৰি আহিছে। বিগত বৰ্ষসমূহত এই অবৈধ কাৰ্যৰ বিষয়ে বাতৰি প্ৰকাশ হ'লেই কিছুদিনৰ বাবে বালি-পলসৰ খনন বন্ধ হৈ পৰিলেও কিছুদিনৰ পিছতে বাতৰি প্ৰকাশ হোৱাৰ দোহাই দি অধিক ধনৰ দৰদাম কৰি পুনৰ খননৰ অনুমতি প্ৰদান কৰে বুলি অভিযোগ উত্থাপন কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতা মাধুৰ্য বৰুৱাই।

# কোকৰাঝাৰত যুৱকক আক্ৰমণ, গুৰুতৰভাৱে আহত

**ই-সংবাদ, কোকৰাঝাৰ, ৫ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ সদৰ থানাৰ অন্তৰ্গত ভবানীপুৰত কালি নিশা দুৰ্বৃত্তিকাৰীৰ আক্ৰমনত এগৰাকী যুৱক গুৰুতৰভাৱে আহত হয়। আহত যুৱকজনক ভবানীপুৰ গাঁৱৰ বিশাল দাস (২৩) বুলি জানিব পৰা গৈছে। ঘটনা সংক্ৰান্তত আঘাতপ্ৰাপ্ত যুৱকজনৰ মাতৃ সাৱেত্ৰী দাসে আজি কোকৰাঝাৰ সদৰ থানাত এক এজাহাৰ দাখিল কৰি ন্যায় প্ৰদান কৰিবলৈ দাবী জনাইছে৷ ইপিনে মাতৃ সাৱেত্ৰী দাসে কোকৰাঝাৰ সদৰ থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰা মতে কোকৰাঝাৰ সদৰ থানাৰ অন্তৰ্গত পাথৰঘাটৰ নিৱাসী শৰৎ দাসৰ নেতৃত্বত কালি নিশা প্ৰায় ৯-৩০ বজাত ঘৰলৈ উভতাৰ পথত তথা ঘৰ পাবলৈ মাত্ৰ কেইশমান মিটাৰ বাকী থকা অৱস্থাত তেওঁৰ সন্তান বিশাল দাসক মূৰত বাটামেৰে প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত কৰে। প্ৰাণৰ মমতাত বিশাল দাসে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজ ওলাই অহাত দুৰ্বৃত্তিকাৰীসকল পলায়ন কৰে। পিছত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বিশাল দাসক কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আঘাত গুৰুতৰ হোৱালৈ চাই চিকিৎসকে নিশাই বৰপেটা মেডিকেল কলেজ আৰু হস্পিতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে৷ উল্লেখ্য যে ইয়াৰ পূৰ্বেও শৰৎ দাসে তেওঁৰে একালৰ কৰ্মচাৰী বিশাল দাসক মাৰপিট কৰিছিল বুলি পৰিয়ালৰ লোকে অভিযোগ কৰিছে। এসময়ত শৰৎ দাসৰ মোবাইল দোকানত বিশাল দাসে কাম কৰিছিল আৰু কাম বাদ দিয়াৰ পিছৰে পৰা শৰৎ দাসে বিশাল দাসক কটুক্তি কৰি আহিছিল। বিশাল দাস সম্প্ৰতি অইন এখন মোবাইল দোকানত কাম কৰে আৰু সেইখন দোকানৰ স্বত্বাধিকাৰীয়ে স্কুটীৰে বিশাল দাসক ঘৰৰ কাষত নমাই থৈ অহাৰ পিছতে কালি উক্ত ঘটনাটো সংঘটিত হয়। সম্প্ৰতি অভিযুক্ত শৰৎ দাস পলাতক অৱস্থাত আছে আৰু আৰক্ষীয়ে শৰৎ দাসৰ জ্যেষ্ঠ ভাতৃ ভৰত দাসক সোধ-পোছৰ বাবে থানালৈ লৈ আহিছে।

# এনডিএ-ই ৪০০ আসন পাব বুলি দাবী প্ৰধানমন্ত্ৰী মোদীৰ

## ১০ বছৰে ভাল বিৰোধী হোৱাত কংগ্ৰেছ ব্যৰ্থ হোৱা বুলি মন্তব্য

**নতুন দিল্লী, ৫ ফেব্ৰুৱাৰীঃ** ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে সংসদৰ অন্তিম অধিৱেশন। এই অন্তৰ্বৰ্তীকালীন বাজেট অধিৱেশনত ভোটদানৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শেষ ভাষণ। সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতিৰ ভাষণৰ বাবে ধন্যবাদ জ্ঞাপন কৰিবলৈ থিয় হৈ বিৰোধীক লক্ষ্য কৰি লয়। আৰম্ভণিৰে পৰা কংগ্ৰেছ তেওঁৰ লক্ষ্য আছিল। কংগ্ৰেছক পোনপটীয়াকৈ আক্ৰমণ কৰি তেওঁ কয়, ‘কংগ্ৰেছ বিৰোধী হিচাপে ব্যৰ্থ হৈছে।’ বিৰোধীক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, ‘দশকৰ পিছত দশক বিৰোধীয়ে বিপৰীত পক্ষত বহিবলৈ সিদ্ধান্ত লৈছে। জনতা ঈশ্বৰৰ প্ৰতীক। আপোনালোকে যি ধৰণে কাম কৰি আছে, মই ভাবো ঈশ্বৰসদৃশ জনতাই আপোনালোকক হাত উজাৰি আশীৰ্বাদ দিব আৰু আপোনালোক সঠিক ঠাইতেই বহাৰ ব্যৱস্থা কৰি দিব।' ৰাষ্ট্ৰপতিৰ ভাষণ সন্দৰ্ভত ধন্যবাদৰ প্ৰস্তাৱৰ ওপৰত আলোচনাৰ উত্তৰ দি প্ৰধানমন্ত্ৰী মোদীয়ে নাম নোলোৱাকৈয়ে ৰাহুল গান্ধীকো কটাক্ষ কৰে। তেওঁ বিৰোধী দল বিশেষকৈ কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰি কয় যে একেটা সামগ্ৰী বাৰে বাৰে মুকলি কৰাৰ বাবে কংগ্ৰেছৰ দোকানত তলা লগাৰ পৰ্যায়লৈ আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক নাম নোলোৱাকৈ লক্ষ্য কৰি লয়। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী মোদীয়েও নেপোটিজমৰ বিষয়টোতো কংগ্ৰেছক আক্ৰমণ কৰে। তেওঁ কয়, "আমি সেই দলটোক পৰিয়ালবাদী দল কওঁ যিটো পৰিয়ালে পৰিচালনা কৰে। যিটো দলে পৰিয়ালৰ সদস্যক অগ্ৰাধিকাৰ দিয়ে। যিটো দলত সকলো সিদ্ধান্ত পৰিয়ালৰ সদস্যই লয়। সেয়া হ'ল পৰিয়ালবাদ।" প্ৰধানমন্ত্ৰী মোদীয়েও বিৰোধী মিত্ৰজোঁটকো কোণত ৰাখি কয়, "আজি বিৰোধীৰ অৱস্থাৰ বাবে কংগ্ৰেছ দলেই আটাইতকৈ ডাঙৰ দোষী। কংগ্ৰেছে ভাল বিৰোধী হোৱাৰ এক বৃহৎ সুযোগ পাইছিল, কিন্তু ১০ বছৰত সেই দায়িত্ব পালনতো ব্যৰ্থ হ’ল।" লগতে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আজি যি গতিৰে কাম চলি আছে, কংগ্ৰেছে সেইটো কল্পনাও কৰিব নোৱাৰে। তেওঁ কয় যে আমি দুখীয়াৰ বাবে চাৰি কোটি ঘৰ সাজিলোঁ। ইয়াৰে ৮০ লাখ ঘৰ নগৰীয়া দৰিদ্ৰ লোকৰ বাবে নিৰ্মাণ কৰা হৈছে। তেওঁ প্ৰশ্ন কৰে যে কংগ্ৰেছ চৰকাৰৰ দিনত যদি এই ঘৰবোৰ নিৰ্মাণ কৰা হ’লহেঁতেন তেন্তে কি হ’লহেঁতেন? তেওঁ কয় যে কংগ্ৰেছৰ গতিৰে কামবোৰ হোৱা হ’লে এই কাম সম্পূৰ্ণ হ’বলৈ ১০০ বছৰ সময় লাগিলহেঁতেন। ইয়াত পাঁচটা প্ৰজন্ম পাৰ হৈ গ’লহেঁতেন। পৰৱৰ্তী লোকসভা নিৰ্বাচনত বিজেপিয়ে কিমান আসন পাব সেই কথাও মোদীয়ে আজিৰ ভাষণত উল্লেখ কৰে। তেওঁ কয়, "মই দেশৰ জনতাৰ মন-মেজাজলৈ চাই কওঁ যে এনডিএ-ই এইবাৰ ৪০০ অতিক্ৰম কৰিব আৰু দেশৰ জনতাই নিশ্চিতভাৱে ভাৰতীয় জনতা পাৰ্টিক ৩৭০ খন আসন দিব।'' তৃতীয়টো কাৰ্যকাল বহুত বিশেষ হৈ পৰিব বুলিও কয় মোদীয়ে। তেওঁ কয়, 'ৰাম মন্দিৰ উদ্বোধনৰ সময়ত মই কৈছিলো যে দেশখনক হাজাৰ বছৰৰ সমৃদ্ধিৰ শিখৰত চাব বিচাৰো। তৃতীয় কাৰ্যকালত সেই হাজাৰ বছৰক শক্তিশালী কৰাৰ কাম হ’ব। ভাৰতবাসীৰ ওপৰত মোৰ অপৰিসীম আস্থা আছে।’

# কোকৰাঝাৰত বলীউডৰ জনপ্ৰিয় কন্ঠশিল্পী কুমাৰ ছানু

**ই-সংবাদ, কোকৰাঝাৰ, ৫ ফেব্ৰুৱাৰীঃ** বঙাইগাঁৱৰ নতুনপাৰাৰ শিৱমন্দিৰত দান কৰা এটা শিৱমূৰ্তি উন্মোচন কৰিবলৈ আহি থকাৰ পথত আজি বলিউদৰ জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ছানু ক্ষন্তেক সময়ৰ বাবে কোকৰাঝাৰৰ আলহী হয়। কোকৰাঝাৰত উপস্থিত হৈ কুমাৰ ছানুৱে বিটিচিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেৰ বাসগৃহত কিছুসময় জিৰণি লয় আৰু আতিথ্য গ্ৰহণ কৰে। মুহূৰ্ততে কুমাৰ ছানু কোকৰাঝাৰলৈ অহাৰ খবৰটো বিয়পি পৰাত শিল্পীগৰাকীৰ সতে অনুৰাগীসকলে ছেলফি লবলৈ বিটিচিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ৰ বাসগৃহত ভিৰ কৰাৰ লগতে ফুলৰ থোপা, আৰ’নাই, গামোছা আদিৰে কণ্ঠশিল্পীগৰাকীক সম্বৰ্ধনা জনোৱা পৰিলক্ষিত হয়৷ কণ্ঠশিল্পী গৰাকীয়ে অসমীয়া গীতৰ লগতে নিজৰ কেইবাটাও হিন্দী আৰু বঙালী জনপ্ৰিয় গীতৰ কলি গুণগুণাই অসমক মই ভালপাও বুলি উল্লেখ কৰে। উল্লেখ্য যে বঙাইগাঁৱৰ নতুনপাৰাত শিৱমন্দিৰৰ শিৱমূৰ্তি উন্মোচন কৰি পানী ঢালে আৰু ইয়াৰ পিছতে শিল্পীগৰাকী মানাহ ৰাষ্ট্ৰীয় উদ্যান অভিমুখে ৰাওনা হয় আৰু নিশাটো মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ অতিথিশালাত কটাব বুলি জানিব পৰা গৈছে।

শেষ পৃষ্ঠা

## ১০৬ ৰানত জয়ী

# শৃংখলাত সমতা অৰ্জন ভাৰতৰ

**বিশাখাপত্তনম, ৫ ফেব্ৰুৱাৰীঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেল পাঁচখন মেছৰ টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত ১০৬ ৰানত জয় লাভ কৰিছে টিম ইণ্ডিয়াই। ইয়াৰ জৰিয়তে শৃংখলাটোত ভাৰতীয় দলে ১-১ ত ক্ষমতা স্থাপন কৰিবলৈ সক্ষম হয়। খেলখনৰ অন্তিম ইনিংছত ইংলেণ্ডক জয়ৰ বাবে প্ৰয়োজন আছিল ৩৯৯ ৰান। দলটোৰ হাতত দুটাকৈ দিন আছিল। আজি চতুৰ্থ দিনা আলহী দলটোৱে ৬৯.২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৯২ ৰান কৰি পৰাজয় স্বীকাৰ কৰে। ইংলেণ্ডৰ হৈ অপেনাৰ জেক ক্ৰাউলীয়ে সৰ্বাধিক ৭৩ ৰান কৰে। বেন ফোৱাক্স আৰু টম হাৰ্টলে উভয়ৰে বেটৰ পৰা ৩৬ ৰানকৈ আহে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহ আৰু ৰবীচন্দ্ৰন অশ্বিনে তিনিটাকৈ উইকেট দখল কৰে। টেষ্টখনত সামগ্ৰিকভাৱে ৯১ ৰানত নটা উইকেট দখল কৰা বুমৰাহ মেছৰ শ্ৰেষ্ঠ বিবেচিত হয়।

## ৰঞ্জিৰ গ্ৰুপ 'বি'

# কানপুৰত ড্ৰ' অসমৰ

**কানপুৰ, ৫ ফেব্ৰুৱাৰীঃ** ৰঞ্জি এলিট গ্ৰুপ 'বি'ৰ খেলত অসমে উত্তৰ প্ৰদেশৰ বিৰুদ্ধে ড্ৰ খেলিবলৈ সক্ষম হৈছে। খেলখনৰ আজি চতুৰ্থ দিনৰ খেল অনুষ্ঠিত নোহোৱাত ড্ৰ হিচাপে সমাপ্ত হয়। এইলৈ পাঁচখন খেলৰ তিনিখনত পৰাস্ত হোৱা অসম দলে এতিয়ালৈকে দুই পইণ্ট সংগ্ৰহ কৰে। কানপুৰত অনুষ্ঠিত হোৱা চাৰিদিনীয়া খেলখনত উত্তৰ প্ৰদেশে প্ৰথম ইনিংছত আঠ উইকেটত সংগ্ৰহ কৰা ৫৪৮ ৰানত উত্তৰত অসমে কালিয়ে দুই উইকেটত সংগ্ৰহ কৰিছিল ৩১৬ ৰান। আজি এটাও বল নপৰাত মেছখন ড্ৰ হয়। হাতত আৰু দুখন খেল বাকী থকা অসম দলে নক আউট পৰ্যায়লৈ আগবঢ়াৰ একেবাৰে ক্ষীণ।




■ বিখ্যাত ৰেপ শিল্পী কিলাৰ মাইকক (মাইকেল চেণ্টিয়াগো ৰেণ্ডা) ৬৬ সংখ্যক গ্ৰেমী বঁটা অনুষ্ঠানতে গ্ৰেপ্তাৰ লছ এঞ্জেলছ আৰক্ষীৰ। তিনিটা গ্ৰেমী বঁটা লাভ কৰিছিল কিলাৰ মাইকে। গ্ৰেপ্তাৰৰ কাৰণ ৰাজহুৱা কৰা নাই আৰক্ষীয়ে।

# হোটেল দেখুৱাই দিয়াৰ চলেৰে যুৱতীক দলৱদ্ধ নিৰ্যাতন

**অনলাইন ফিচাৰ্ছ, ৫ ফেব্ৰুৱাৰী:** নিশা হোটেল দেখুৱাই দিয়াৰ চলনাৰে জনশূন্য এলেকালৈ নি বন্ধুৰ সন্মুখতে দলবদ্ধ ধৰ্ষণ কৰা হ'ল এগৰাকী পৰ্যটক যুৱতীক। এই চাঞ্চল্যকৰ কাণ্ড সংঘটিত হৈছে পশ্চিম বংগৰ পৰ্যটননগৰী দীঘাত। ইতিমধ্যে যুৱতীগৰাকীৰ ভাষ্যৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে দুজন অভিযুক্তক। আৰক্ষীৰ সূত্ৰ অনুসৰি, যোৱা শনিবাৰে মেদিনীপুৰৰ নিবাসী যুৱতীগৰাকীয়ে তেওঁৰ এজন বন্ধুৰ সৈতে দীঘালৈ ফুৰিবলৈ গৈছিল। তাতেই ৰাতি হোৱাত নিশা কটাবলৈ নিউ দীঘাত হোটেলৰ সন্ধান কৰি থকাৰ সময়তে নিশা প্ৰায় ১০.৩০ বজাত পথৰ কাষত বাইকসহ ৰৈ থকা তিনি যুৱকে হোটেল দেখুৱাই দিয়াৰ চলেৰে যুৱক-যুৱতীহালক বাইকত উঠাই লৈ যায়। অভিযোগ অনুসৰি, ইয়াৰ পিছতে যুৱক কেইজনে দুয়োকে এক নিৰ্জন অন্ধকাৰ ঠাইলৈ নি যুৱকজনক গছত বান্ধি থৈ তেওঁৰ সন্মুখতে যুৱতীগৰাকীক শাৰীৰিক অত্যাচাৰ কৰাৰ লগতে দলবদ্ধ ধৰ্ষণ কৰে। গভীৰ নিশা দুষ্কৃতিকাৰী কেইজনে যুৱক-যুৱতীহালক তাতেই এই সেই ঠাইৰ পৰা আঁতৰি যোৱাৰ পিছতে যুৱকজনে কেনেবাকৈ নিজক বান্ধোনৰ পৰা মুক্ত কৰি যুৱতীগৰাকীক লৈ দীঘা থানাত উপস্থিত হয়। পিছত আৰক্ষীয়ে যুৱতীগৰাকীৰ ভাষ্য গ্ৰহণ কৰি এক গোচৰ ৰুজু কৰে আৰু তৎপৰতাৰে অভিযান চলাই সেই নিশাই দীঘা লাগোয়া ৰতনপুৰৰ দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। কিন্তু এই ধৰ্ষণকাণ্ডৰ সৈতে জড়িত আন দুজন অভিযুক্ত বৰ্তমানো পলাতক হৈ আছে। ইফালে সোমবাৰে আৰক্ষীয়ে ধৃত অভিযুক্ত দুজনক আদালতত হাজিৰ কৰোৱাত আদালতে দুয়োকে ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আনফালে দীঘাৰ দৰে এক পৰ্যটন কেন্দ্ৰত সংঘটিত এই কাণ্ডক লৈ সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। পশ্চিম বংগৰ বিৰোধী দল বিজেপিৰ নেতা শুভেন্দু অধিকাৰীয়ে এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা জনাই মমতা বেনাৰ্জী চৰকাৰক কঠোৰ সমালোচনা কৰে। দীঘাৰ এই ঘটনা ৰাজ্য চৰকাৰে আইন শৃংখলা ধ্বংস কৰাৰ পৰিনাম বুলি মন্তব্য কৰে অধিকাৰীয়ে। এগৰাকী মহিলা মুখ্যমন্ত্ৰীৰ শাসনকালত মহিলাৰ বিৰুদ্ধে সংঘটিত এনে অপৰাধৰ বিৰুদ্ধে বিধানসভাৰ মজিয়াত মহিলা বিধায়কে প্ৰতিবাদ সাব্যস্ত কৰিব বুলিও কয় শুভেন্দু অধিকাৰীয়ে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান